# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 11-MAR-2026
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

১।	মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ প্ৰথম পৰ্যায়ৰ অধীনত ১২ হাজাৰ ৯০০ গৰাকী যুৱক-যুৱতীক দ্বিতীয় কিস্তিৰ ধন প্ৰদান।
২।	কাৰ্বি আংলঙত দুহেজাৰ ১০৯ কোটি টকা ব্যয় সাপেক্ষে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ শতাধিক প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন। তাৰালাংছ'ত কৰ্কট কেন্দ্ৰ মুকলি।
৩।	অসমত ৰন্ধন গেছৰ ঘৰুৱা চিলিণ্ডাৰৰ নাটনি নহয় বুলি মুখ্যমন্ত্ৰীৰ মন্তব্য। **আৰু**
৪।	প্ৰধানমন্ত্ৰীৰ অসম ভ্ৰমণৰ বাবে কোকৰাঝাৰ আৰু বৰাক উপত্যকাত ব্যাপক প্ৰস্তুতি।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ অৰ্থনৈতিক উন্নয়নৰ দিশত ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰিবলৈ যুৱ সমাজক আহ্বান জনাইছে। ৰাজ্যখনক আৰ্থিক দিশত আগবঢ়াই নিবৰ বাবে যুৱক-যুৱতীসকলক আত্মনিৰ্ভৰ কৰি তোলাৰ বিষয়ত তেওঁ গুৰুত্ব আৰোপ কৰিছে। মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ প্ৰথম পৰ্যায়ৰ অধীনত গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত দ্বিতীয় কিস্তিৰ ধনৰাশি বিতৰণৰ উদ্দেশ্যে আজি আয়োজিত অনুষ্ঠানত তেওঁ এই মত প্ৰকাশ কৰে। তেওঁ আজিৰ অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ প্ৰথম পৰ্যায়ৰ অধীনত ১২ হাজাৰ ৯০০ গৰাকী যুৱক-যুৱতীক দ্বিতীয় কিস্তিৰ ধন প্ৰদান। দ্বিতীয় কিস্তিৰ ধন বিতৰণ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই সংবাদমাধ্যমৰ আগত এইদৰে কয়—

**বাইট (চি এম)**

গুৱাহাটীৰ এই অনুষ্ঠানৰ পাছতেই মুখ্যমন্ত্ৰী কাৰ্বি আংলঙলৈ যায়। জিলাখনৰ তাৰালাংছ'ত তেওঁ ডিফু কৰ্কট চিকিৎসা কেন্দ্ৰ আৰু চাৰিশৰীয়া খৰছিং টেৰাং ইংজাৰকাপ উৰণ সেতু মুকলি কৰে। তাৰালাংছ'ত ২৭০ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা কৰ্কট কেন্দ্ৰটোৰ জৰিয়তে ৰোগীসকলে কৰ্কট ৰোগৰ বিশেষ চিকিৎসা লাভ কৰিব। একেদৰে ২২৮ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা খৰছিং টেৰাং ইংজাৰকাপ উৰণ সেতুখনৰ জৰিয়তে চহৰখনৰ যানজঁটৰ সমস্যা যথেষ্ট হ্ৰাস পাব বুলি আশা কৰা হৈছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে আন্তঃগাঁথনি উন্নয়নৰ দিশত নতুন দিশৰ সূচনা কৰি দুহেজাৰ ১০৯ কোটি টকা ব্যয় সাপেক্ষ শতাধিক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। ৰংছিনা ছাৰপ' আহংজাইত আয়োজিত এই অনুষ্ঠানত তেওঁ ৮১৬ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা পশ্চিম কাৰ্বি আংলঙৰ চৰকাৰী আদৰ্শ স্নাতক মহাবিদ্যালয়, ডিফু টাউন লেক, কাৰ্বি আংলং ক্ৰীড়া সংস্থাৰ বিলাংভেক জলক্ৰীড়া ক্ষেত্ৰকে ধৰি ৫৪টা প্ৰকল্প উদ্বোধন কৰাৰ লগতে এহেজাৰ ২৯৩ কোটি টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া ৫৩টা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে।

কাৰ্বি আংলঙৰ কাৰ্যসূচী সামৰি মুখ্যমন্ত্ৰীগৰাকী যোৰহাটলৈ ৰাওনা হয়। যোৰহাটত তেওঁ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। এই উপলক্ষে বৰুৱা চাৰিআলিত কিছু সময়ৰ পাছতে বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই ১৭৮ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰি উলিওৱা মণিৰাম দেৱান-পিয়ালী বৰুৱা উৰণ সেতু উদ্বোধন কৰিব। এই অনুষ্ঠানত কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা আদি বিভাগৰ

ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, বিত্তমন্ত্ৰী অজন্তা নেওগ, সাংসদ কামাখ্যা প্ৰসাদ তাছা, বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামী আৰু ৰূপজ্যোতি কুৰ্মীয়েও অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে ১৫৯ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা স্বৰাজ উদ্যান, ২৫০ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা লাচিত মৈদাম স্মাৰক আৰু সাংস্কৃতিক কেন্দ্ৰ, ১৯ কোটি টকা প্ৰকল্প ব্যয়ৰ যোৰহাট আভিযান্ত্ৰিক মহাবিদ্যালয়ৰ পুথিভঁৰাল ভৱন, ইনড'ৰ ষ্টেডিয়াম, ২০০ খন বিছনাযুক্ত ছাত্ৰাবাস আৰু ১ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা মইনা পৰীয়া নামঘৰ অতিথিশালা উদ্বোধন কৰিব। আনহাতে ড০ শৰ্মাই ১৯ কোটি টকা ব্যয়ৰে নিৰ্মাণ হ'বলগীয়া বৰভেটি প্ৰাংগণৰ সংহত উন্নয়ন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব।

ooooo

অসমত ৰন্ধন গেছৰ ঘৰুৱা চিলিণ্ডাৰৰ নাটনি নহয় বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰিছে। ইৰান আৰু আমেৰিকা-ইজৰাইলৰ মাজত চলি যুদ্ধৰ পৰিপ্ৰেক্ষিতত অসমতো ৰন্ধন গেছৰ নাটনি হ'ব বুলি কেইবাদিনো বাতৰি প্ৰকাশ পোৱাৰ মাজতে মুখ্যমন্ত্ৰীগৰাকীয়ে আজি এই মত প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই এই সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত কয়, যে ভাৰতলৈ সম্প্ৰতি ৪০ খন দেশৰ পৰা গেছ অনাৰ ব্যৱস্থা কৰা হৈছে। ৰাছিয়ায়ো ভাৰতলৈ নতুনকৈ গেছ আৰু তেল পঠিওৱাৰ ব্যৱস্থা কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশত গেছৰ নাটনি হ'বলৈ নিদিয়ে বুলিও তেওঁ কয়।

ooooo

দেশৰ বিভিন্ন প্ৰান্তত পৰহিলৈ ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হ'ব। দক্ষিণ শালমাৰা মানকাচৰ জিলাতো লোক আদালতৰ বাবে প্ৰস্তুতি চলিছে। ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকাৰী আৰু অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকাৰীৰ উদ্যোগত জিলাখনৰ হাটশিঙিমাৰীৰ ফেকামাৰীত লোকআদালত অনুষ্ঠিত হ'ব। হাটশিঙিমাৰীৰ জিলা সত্ৰ ন্যায়াধীশৰ আদালতত হ'বলগীয়া এই কাৰ্যসূচীত ফৌজদাৰী, দেৱানী, পাৰিবাৰিক আৰু ৰাজহ সক্ৰান্তীয় গোচৰৰ লগতে পথ দুৰ্ঘটনা সংক্ৰান্তীয় গোচৰ, বেংকৰ ঋণ আদি বিষয় সমূহ খৰতকীয়াকৈ নিষ্পত্তি কৰাৰ ব্যৱস্থা কৰা হ'ব। ইচ্ছুক ব্যক্তি সকলে এই সন্দৰ্ভত অধিক তথ্যৰ বাবে জিলা আইন সেৱা প্ৰাধিকাৰী কাৰ্য্যালয়ত যোগাযোগ কৰিব পাৰিব বুলি জিলা আইন সেৱা প্ৰাধিকাৰী সচিব জয়ন্ত কুমাৰ শইকীয়াই প্ৰকাশ কৰে।

(বাইট)

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰহিলৈৰ পৰা দুদিনীয়া ভ্ৰমণসূচীৰে অসম ভ্ৰমণ কৰিব। এই উপলক্ষে কোকৰাঝাৰ, কামৰূপ মহানগৰ, কাছাৰকে ধৰি সংশ্লিষ্ট জিলা কেইখনত প্ৰশাসনে প্ৰস্তুতি অব্যাহত ৰাখিছে। এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে ৩৭ হাজাৰ ৫০০ কোটি ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্প মুকলি কৰিব আৰু আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীয়ে প্ৰথমে কোকৰাঝাৰত এখন জনসভাত অংশ লৈ ৪ হাজাৰ ৫৭৪ কোটি টকাৰ আন্তঃগাঁথনি প্ৰকল্পৰ উদ্বোধন, আধাৰশিলা স্থাপন কৰিব। কোকৰাঝাৰৰ পৰা প্ৰধানমন্ত্ৰীলৈ গুৱাহাটীলৈ আহিব আৰু গুৱাহাটীত তেওঁ ৮ হাজাৰ ৮৪১ কোটি টকাৰ এলানি প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে ৭৮০ কোটি টকা ব্যয় সাপেক্ষ নুমলীগড়-শিলিগুৰিত প্ৰডাক্ট পাইপ লাইনৰ ক্ষমতা বৃদ্ধি প্ৰকল্পৰ উদ্বোধন কৰিব। তেওঁ লগতে ৩ হাজাৰ ৬৩৩ কোটি টকা ব্যয় সাপেক্ষ তিনিচুকীয়া-ফৰকাটিং দ্বৈত ৰে'ল লাইন আৰু এহেজাৰ ১৮০ কোটি ব্যয়েৰে নিৰ্মাণ কৰা চাপৰমুখ-ডিব্ৰুগড় ৰে'লপথ বৈদ্যুতিকীকৰণ ৰে'লপথ প্ৰকল্প মুকলি কৰিব। তেওঁ ৰাজ্যৰ ২০ হাজাৰ চাহ শ্ৰমিকক ভূমিপট্টা বিতৰণৰ শুভাৰম্ভ কৰিব। প্ৰধানমন্ত্ৰীয়ে পশ্চিম কাৰ্বি আংলঙত দুহেজাৰ ৩২০ কোটি টকা ব্যক্ষ সাপেক্ষ কপিলী জলবিদ্যুৎ প্ৰকল্পৰ উৎপাদন প্ৰক্ৰিয়াৰো শুভাৰম্ভ কৰিব। ১৪ মাৰ্চত শিলচৰত শ্ৰীমোদীয়ে ২৪ হাজাৰ ৫০৫ কোটি টকাৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন আৰু উদ্বোধন কৰিব।

১৫ মাৰ্চত গৃহমন্ত্ৰী অমিত শ্বাহ অসমলৈ আহিব। সেইদিনা তেওঁ দিনৰ ১০ বজাত প্ৰাগজ্যোতিষপুৰ চিকিৎসা মহাবিদ্যালয় মুকলি কৰিব। দিনৰ ১১ বজাত তেওঁ বিজেপিয়ে আয়োজন কৰা যুৱ সন্মিলনত অংশগ্ৰহণ কৰিব।

০০০০০

অসম আৰক্ষীৰ বিশেষ বাহিনীয়ে জেহাদী সংগঠনৰ সৈতে জড়িত থকাৰ অভিযোগত দুজন লোকক গ্ৰেপ্তাৰ কৰিছে। বৰপেটা আৰু বজালীত অভিযান চলাই গ্ৰেপ্তাৰ কৰা এই লোক দুজন চাহিদুল ইছলাম আৰু জাহিনুৰ ইছলাম বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে। জেহাদী সংগঠন আনছাৰুল্লা বাংলা টীম আৰু জামাতুল মুজাহিদীন কাম কৰাৰ তথ্যৰ আধাৰত আৰক্ষীয়ে দুয়োকে গ্ৰেপ্তাৰ কৰে। উল্লেখযোগ্য যে পূৰ্বে জেহাদী কাৰ্য্যকলাপৰ বিৰুদ্ধে অভিযান চলাই আৰক্ষীয়ে ১৬ জন লোকক গ্ৰেপ্তাৰ কৰিছিল।

০০০০০

ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰামীণ বিকাশ বেংক, নাবাৰ্ডৰ সহযোগত নলবাৰী জিলাৰ স্বেচ্ছাসেৱী অনুষ্ঠান বিষ্ণুজ্যোতি জনকল্যাণ সমিতিয়ে আজিৰে পৰা তামুলপুৰ জিলাৰ কলবাৰী গাঁৱত জীৱিকা উদ্যোগ উন্নয়ন প্ৰকল্প আৰম্ভ কৰিছে। জিলাখনৰ ২০টা আত্মসহায়ক গোটৰ ১২০ গৰাকী উদ্যমী মহিলাক লৈ এই প্ৰকল্প আৰম্ভ কৰা হৈছে। এই প্ৰকল্পৰ প্ৰথম পৰ্যায়ত কাঠফুলা খেতি আৰু ইয়াৰ পৰা উৎপাদিত বিভিন্ন সামগ্ৰী প্ৰস্তুতকৰণৰ ১০ দিনীয়া প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। তদুপৰি মহিলাসকলক উন্নতমানৰ কাঠফুলা খেতিৰ অভিজ্ঞতা আহৰণৰ বাবে দুটা গোটত বিভক্ত কৰি প্ৰদৰ্শনীমূলক ভ্ৰমণৰো ব্যৱস্থা কৰা হ'ব বুলি উদ্যোক্তাসকলে জনাইছে। এই পদক্ষেপে গ্ৰাম্য অৰ্থনীতি সৱল কৰাৰ লগতে মহিলাসকলক আত্মনিৰ্ভৰশীল কৰি তোলাত সহায় কৰিব বুলি আশা কৰা হৈছে।

০০০০০

সমাপ্ত